# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 18-12-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। চৰকাৰে এখন দেশ এটা নিৰ্বাচন সম্পৰ্কীয় বিধেয়ক বিস্তৃত আলোচনাৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰিছে।

২। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে আজি চীনৰ বিদেশ পৰিক্ৰমা মন্ত্ৰী ৱাং য়িৰ সৈতে বেইজিঙত বিশেষ প্ৰতিনিধি সভাত অংশগ্ৰহণ কৰিব।

৩। অহা জানুৱাৰীৰ পৰা ভাৰতীয় নাগৰিকে শ্ৰীলংকা ভ্ৰমণ কৰিবলৈ বিনামূলীয়া ভিছাৰ সুবিধা লাভ কৰিব।

৪। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি অসম আৰু ভূটানৰ সম্পৰ্ক সুদৃঢ় কৰাৰ উদ্দেশ্যে দেশখনৰ ৰজা জিগমে খেচাৰ নামগ্যাল ৱাংচুকৰ সৈতে আলোচনাত মিলিত হয়।

*আৰু*

৫। ভাৰতে বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ তৃতীয়খন টেষ্ট খেলৰ প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ২৬০ ৰান সংগ্ৰহ কৰিছে।

০০০০০

চৰকাৰে এখন দেশ এটা নিৰ্বাচন সম্পৰ্কীয় বিধেয়ক বিস্তৃত আলোচনাৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে লোকসভাত কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজেই বিধেয়কখন যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰাৰ পৰামৰ্শ দিছিল আৰু প্ৰতিটো দফাৰ ওপৰত বিতং আলোচনাৰ পোষকতা কৰিছিল। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে দেশত একেলগে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সংবিধানৰ ১২৯ সংখ্যক সংশোধনী বিধেয়ক, ২০২৪ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ আইন সংশোধনী বিধেয়ক, ২০২৪ উত্থাপন কৰাৰ সময়ত শাসক বিৰোধীৰ বাদানুবাদৰ মাজতে গৃহমন্ত্ৰী অমিত শ্বাহে এইদৰে কয়। লোকসভাত বিধেয়কখন উত্থাপিত হোৱাৰ কিছু সময়ৰ পাছতে বিৰোধী দলৰ নেতাসকলে বিধেয়কখনৰ বিৰুদ্ধে আপত্তি দৰ্শায়। সংসদৰ নিম্ন সদনত বিধেয়ক দুখন উত্থাপন কৰাৰ সময়ত অৰ্জুনৰাম মেঘৱালে কয়, যে চৰকাৰে এখন দেশ এটা নিৰ্বাচন সম্পৰ্কীয় বিধেয়কখন বিস্তৃত আলোচনাৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰিবলৈ সাজু হৈছে। দেশত একেলগে লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ লক্ষ্যৰে বিধেয়ক

দুখন সদনত উত্থাপন কৰা হৈছে। যুটীয়া সংসদীয় সমিতি হৈছে কোনো নির্দিষ্ট বিষয় বা বিধেয়কৰ পুংখানুপুংখ পৰীক্ষা কৰিবলৈ সংসদে গঠন কৰি দিয়া এখন সমিতি। এই সমিতিত দুয়োখন সদনৰ সদস্য আৰু শাসক আৰু বিৰোধী দলৰ সদস্য থাকে। অৱশ্যে যুটীয়া সংসদীয় সমিতিত কোনো নির্ধাৰিত সদস্য সংখ্যা নাথাকে। পৰীক্ষণ সম্পূর্ণ হোৱাৰ পিছত সমিটিখন ভংগ কৰা হয়। যুটীয়া সংসদীয় সমিতিয়ে কোনো এটা নির্দিষ্ট বিষয়ত বিশেষজ্ঞৰ পৰা তথ্য সংগ্ৰহ কৰাৰ লগতে ৰাজহুৱা সংস্থা, সংঘ, ব্যক্তি, আৰু অন্যান্য আগ্ৰহী পক্ষৰ পৰামর্শ ল'ব পাৰে।

০০০০০

ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা আৰু ভাৰত-চীন সীমা সমস্যাৰ বিষয়ৰ ভাৰতৰ বিশেষ প্ৰতিনিধি অজিত ডোভালে আজি চীনৰ প্ৰতিনিধি তথা কমিউনিষ্ট দলৰ কেন্দ্ৰীয় সমিতিৰ ৰাজনৈতিক ব্যুৰ'ৰ সদস্য আৰু বিদেশ পৰিক্ৰমা মন্ত্ৰী ৱাং য়িৰ সৈতে বেইজিঙত ভাৰত-চীন বিশেষ প্ৰতিনিধি সভাত অংশগ্ৰহণ কৰিব। এয়া হ'ল উভয় দেশৰ বিশেষ প্ৰতিনিধিবৰ্গৰ ২৩ সংখ্যক বৈঠক। বৈঠকত বিগত ২১ অক্টোবৰত হোৱা চুক্তি অনুসৰি দুয়োগৰাকী বিশেষ প্ৰতিনিধিয়ে সীমা, বিশেষকৈ পূব লাডাখ অঞ্চলত শান্তি তথা সৌহাৰ্দ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে সীমা সমস্যাৰ ন্যায্য, যুক্তিসংগত আৰু পাৰস্পৰিক গ্ৰহণযোগ্য সমাধানত আলোকপাত কৰিব। ৰাছিয়াৰ কাজানত বিগত ২৪ অক্টোবৰত ব্ৰিক্‌ছ শীৰ্ষ সন্মিলনৰ আপাহতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙৰ মাজত হোৱা বৈঠকৰ বুজা-বুজি অনুসৰি কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি চীনে কালি প্ৰকাশ কৰিছে।

০০০০০

কৃষি আৰু কৃষক কল্যাণ বিভাগৰ বাজেট আৱণ্টন ২০১৩-১৪ বিত্তীয় বৰ্ষৰ তুলনাত ২০২৪-২৫ বিত্তীয় বৰ্ষত ছগুণ বৃদ্ধি পাইছে। ২০১৩-১৪ বিত্তীয় বৰ্ষত বিভাগৰ বাজেট আৱণ্টণৰ পৰিমাণ প্ৰায় ২১ হাজাৰ কোটি টকা আছিল আৰু ই চলিত বিত্তীয় বৰ্ষত ১ লাখ ২২ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে। লোকসভাত এটা লিখিত উত্তৰত কৃষি আৰু কৃষক কল্যাণ ৰাজ্যমন্ত্ৰী ৰামনাথ ঠাকুৰে এই তথ্য প্ৰকাশ কৰিছে। কৃষকৰ কল্যাণৰ বাবে ৰূপায়ণ হৈ থকা প্ৰধান আঁচনিসমূহৰ ভিতৰত প্ৰধানমন্ত্ৰী কিষান সন্মান নিধি, প্ৰধানমন্ত্ৰী কিষান মানধন যোজনা, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আৰু কৃষি আন্তঃগাঁথনি পুঁজিৰ বিষয়ে তেওঁ উল্লেখ কৰে।

তেওঁ লগতে কয়, যে ভাৰতীয় কৃষি গৱেষণা পৰিষদে কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয় তথা সংশ্লিষ্ট মন্ত্ৰ্যালয়সমূহৰ দ্বাৰা ৰূপায়িত আঁচনিসমূহৰ একত্ৰিকৰণৰ জৰিয়তে আয়ৰ পৰিমাণ দুগুণতকৈও অধিক বৃদ্ধি কৰা ৭৫ হাজাৰ কৃষকৰ সফলতাৰ কাহিনীৰ সংকলণ প্ৰকাশ কৰিছে।

মন্ত্ৰীগৰাকীয়ে কয়, যে কৃষি এটা ৰাজ্যিক বিষয় হোৱাৰ বাবে ৰাজ্যচৰকাৰ সমূহে কৃষিৰ উন্নয়নৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰে নীতি ব্যৱস্থা, বাজেট আৱণ্টন আৰু বিভিন্ন আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰসমূহক সমৰ্থন কৰে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

বিজ্ঞান আৰু প্ৰযুক্তিমন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে কালি নতুন দিল্লীত **কিষাণ কবচ** নামৰ ভাৰতৰ প্ৰথমটো কীটনাশক প্ৰতিৰোধী দেহৰ আৱৰণ মুকলি কৰে। কীটনাশকৰ সংস্পৰ্শলৈ আহিলে হ'ব পৰা ক্ষতিকাৰক প্ৰভাৱৰ

পৰা কৃষকক সুৰক্ষা প্ৰদান কৰিবলৈ ইয়াক বিকশাই তোলা হৈছে। শ্বাস প্ৰশ্বাসজনিত বেমাৰ, দৃষ্টিশক্তি হেৰুওৱাকে ধৰি বিভিন্ন গুৰুতৰ সমস্যাৰ পৰা ই কৃষকক সুৰক্ষা প্ৰদান কৰিব। অনুষ্ঠানত অংশগ্ৰহণ কৰি ডঃ সিঙে কয়, যে কৃষকৰ সুৰক্ষাৰ ক্ষেত্ৰত **কিষাণ কবচ** মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব। এই ধৰণৰ পদক্ষেপৰ জৰিয়তে চৰকাৰে কেৱল কৃষকক সুৰক্ষা প্ৰদান কৰাই নহয়, বৰং বহনক্ষম উন্নয়নৰ দিশতো আগবাঢ়িছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০

অহা জানুৱাৰীৰ পৰা ভাৰতীয় নাগৰিকে শ্ৰীলংকা ভ্ৰমণ কৰিবলৈ বিনামূলীয়া ভিছাৰ সুবিধা লাভ কৰিব। শ্ৰীলংকাৰ বিদেশ মন্ত্ৰী বিজিথা হেৰাথে কালি নতুন দিল্লীত ইণ্ডিয়া ফাউণ্ডেছনে আয়োজন কৰা মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰি এই বিষয়ে প্ৰকাশ কৰে। ভাৰতৰ লগতে অন্যান্য ৩৮ খন দেশৰ নাগৰিকেও বিনামূলীয়া ভিছাৰ সুবিধা লাভ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। ভাৰতেও শ্ৰীলংকাৰ নাগৰিকক একেই সুবিধা প্ৰদান কৰিব বুলি তেওঁ অনুষ্ঠানত আশা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে উভয় দেশৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্ক ইতিহাস, সংস্কৃতি আৰু অৰ্থনৈতিক কাম-কাজৰ ওপৰত আধাৰিত। দেশখনলৈ যোৱা পৰ্যটকৰ ভিতৰত ভাৰতীয়ৰ সংখ্যাই সৰ্বাধিক বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰ কুমাৰ দিছানায়কেৰ সৈতে প্ৰতিনিধি দলৰ সদস্য হিচাপে দেশখনৰ বিদেশ মন্ত্ৰীগৰাকী ভাৰতলৈ আহিছিল।

০০০০০

ভূটান চৰকাৰৰ আমন্ত্ৰণমৰ্মে চাৰিদিনীয়া ভ্ৰমণসূচীৰে দেশখনলৈ যোৱা অসমৰ মুখ্যমন্ত্ৰী ড$^0$ হিমন্ত বিশ্ব শৰ্মাই কালি ভূটানৰ ৰজা জিগমে খেছাৰ নামগ্যাল ৱাংচুকৰ সৈতে অসম আৰু ভূটানৰ মাজৰ ঐতিহাসিক সম্পৰ্কক অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যৰে আলোচনাত মিলিত হয়। ভূটান আৰু অসমৰ সহযোগিতামূলক প্ৰচেষ্টা আগবঢ়াই নিয়া, জনসাধাৰণৰ উন্নয়ন, কল্যাণ আৰু অৰ্থনৈতিক বিকাশ আদি বিষয় সন্দৰ্ভত দুয়োপক্ষই আলোচনা কৰে। ভূটানৰ প্ৰধানমন্ত্ৰী দশো শ্বেৰিং টগবেৰ সৈতে দুপৰীয়াৰ আহাৰ গ্ৰহণৰ সময়ত আন এখন বৈঠকত অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ভূটান আৰু অসমৰ বাণিজ্যিক সহয়োগিতা সুদৃঢ় কৰাৰ পথ অন্বেষণ কৰে। মুখ্যমন্ত্ৰী ড$^0$ শৰ্মাই কয়, যে অসম আৰু ভূটানে ঐতিহাসিকভাৱে সাতটা প্ৰতিষ্ঠিত বাণিজ্যিক পথৰ জৰিয়তে সম্পৰ্ক বৰ্তাই ৰাখিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে অসম-ভূটান সীমান্তৰ বাণিজ্যিক আন্তঃগাঁথনি শক্তিশালী কৰাটো অসম চৰকাৰৰ দায়বদ্ধতা বুলি কৈ ভূটান চৰকাৰক অধিক সহযোগিতাৰ আশ্বাস প্ৰদান কৰে। তেওঁ লগতে ভূটানৰ ব্যৱসায়ীসকলৰ প্ৰয়োজন অনুসৰি বাণিজ্যৰ সুবিধাৰ্থে অতিৰিক্ত বাণিজ্যিক পথ গঢ়ি তোলাটো গুৰুত্ব আৰোপ কৰে। অসম মালা আঁচনিৰ অধীনত অসম চৰকাৰে কোকৰাঝাৰ আৰু গেলেফুৰ মাজত যোগাযোগ সুদৃঢ় কৰাৰ বিষয়টোৰেও আলোচনাত স্থান লাভ কৰে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অসমত ম'হ আৰু বুলবুলি চৰাইৰ যুঁজ নিষিদ্ধ কৰিছে। ইয়াৰ পূৰ্বে অসম চৰকাৰে এখন মানসম্পন্ন পৰিচালনা বিধিৰ জৰিয়তে ম'হ আৰু বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান কৰিছিল। এনে যুঁজে পশু সুৰক্ষা আইন উলংঘা কৰা বুলি যুক্তি দি পেটাই আবেদন দাখিল কৰাৰ পাছতেই উচ্চ ন্যায়ালয়ে এই ৰায়দান কৰিছে। এনে কাৰ্যকলাপে জীৱ-জন্তুৰ ওপৰত হোৱা নিষ্ঠুৰতা প্ৰতিৰোধ আইন, ১৯৬০ আৰু বন্যপ্ৰাণী সুৰক্ষা আইন, ১৯৭২ উলংঘা কৰে বুলি ন্যায়ালয়ে উল্লেখ কৰে। মাঘ বিহু উদযাপনৰ সময়ত অসমৰ কেইবাটাও স্থানত পৰম্পৰাগতভাৱে এনে যুঁজ অনুষ্ঠিত কৰা হৈছিল। পেটাৰ অভিযোগ অনুসৰি যুঁজৰ সময়ত ম'হক বিভিন্ন ধৰণে শাৰীৰিক নিৰ্যাতন চলোৱা হয়। একেদৰে বুলবুলি চৰাইবোৰক ধৰি যুঁজৰ বাবে সাজু কৰিবলৈ অনাহাৰে ৰখা হয় বুলিও পেটাই অভিযোগ দাখিল কৰিছিল।

00000

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ বাবে চলি থকা তৃতীয়খন টেষ্ট খেল আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে।  খেলৰ অন্তিম দিনা আজি ভাৰতে কালি ৯ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২৫২ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰি ২৬০ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ দশম উইকেটৰ যুটীত যশপ্ৰীত বুমৰাহ আৰু আকাশদ্বীপে মুঠ ৪৭ ৰান সংগ্ৰহ কৰে। আমালৈ অহা শেহতীয়া বাতৰি পৰ্যন্ত ১৮৫ ৰানৰ অগ্ৰগতি লাভ কৰা ঘৰুৱা দলটোৱে অৱশ্যে এই পৰ্যন্ত মুযলধাৰ বৰষুণৰ বাবে দ্বিতীয় ইনিংছৰ খেল  আৰম্ভ কৰিব পৰা নাই।

পাঁচখন খেলৰ শৃংখলাটোত দুয়োটা দলে ইতিমধ্যে এখনকৈ খেলত জয় লাভ কৰিছে।

00000

ৱেষ্ট ইণ্ডিজৰ মহিলা দলে নৱীমুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কালি ভাৰতক ৯ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ভাৰতীয় দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত  ৯টা উইকেট হেৰুৱাই ১৫৯ ৰান সংগ্ৰহ কৰে। খেলখনত ভাৰতৰ অধিনায়ক স্মৃতি মান্ধানাই দলৰ হৈ সৰ্বাধিক ৬২ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ ৰিচা ঘোষে ১৭টা বলত ৩২ ৰান কৰে। ৱেষ্ট ইণ্ডিজৰ অধিনায়ক মেথিউজ, এফি ফ্লেচাৰ, ডিয়ান্দ্ৰা দতিন আৰু চিনেলি হেনৰীয়ে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত আলহী দলটোৱে অধিনায়ক মেথিউজৰ অপৰাজিত ৮৫ ৰানৰ সহায়ত ২৬টা বল বাকী থকা অৱস্থাত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। ভাৰতৰ হৈ ছাইমা ঠাকুৰে একমাত্ৰ উইকেটটো দখল কৰে। বেটে বলে আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে ৱেষ্ট ইণ্ডিজৰ অধিনায়ক মেথিউজক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। শৃংখলাৰ দেওবাৰে অনুষ্ঠিত প্ৰথমখন খেলত ভাৰতে আলহী দলটোক ৪৯ ৰানৰ ব্যৱধানত পৰাস্ত কৰিছিল। শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কাইলৈ খেলোৱা হ'ব। এই শৃংখলাৰ পাছত আলহী দলটোৱে ভাৰতৰ বিৰুদ্ধে তিনিখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলৰ আন এটা শৃংখলাত ভাগ ল'ব। এদিনীয়া শৃংখলাৰ খেলকেইখন ২২, ২৪ আৰু ২৭ ডিচেম্বৰত অনুষ্ঠিত হ'ব।

00000

শেহতীয়াকৈ বিশ্ব চেম্পিয়নৰ খিতাপ দখল কৰা ভাৰতীয় দবা তাৰকা ডি গুকেশে সমাগত এফ আই ডি ই বিশ্ব ৰেপিড আৰু ব্লিট্জ প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে। প্ৰতিযোগিতাত অৰুণ এৰিগাইছি আৰু আৰ. প্ৰজ্ঞানন্দই ভাৰতক প্ৰতিনিধিত্ব কৰিব। প্ৰতিযোগিতাখন অহা ২৬ৰ পৰা ৩১ ডিচেম্বৰলৈ নিউয়ৰ্কত অনুষ্ঠিত হ'ব।

ooooo

**সমাপ্ত**